গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতক মহলাৰ ষষ্ঠ ষান্মাসিকৰ অসমীয়া ASM-HE-6056 নং কাকতৰ বাবে প্ৰস্তুত কৰা

# ক্ষুদ্ৰ গৱেষণা পত্ৰ

## বিষয় ঃ পৰম্পৰাগত অসমীয়া বিবাহ আৰু সাহানবিষ্টুপুৰ গাঁওৰ বিবাহ পদ্ধতি

Presented 04/06/2024


তত্ত্বাৱধায়ক
**বিহুৰাম ইংলেং**
সহকাৰী অধ্যাপক
অসমীয়া বিভাগ
মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয়

গৱেষিকা ছাত্ৰী
নাম ঃ স্মৃতিৰেখা কলিতা
শ্ৰেণী ঃ ষষ্ঠ ষান্মাসিক
শ্ৰেণী ৰোল নং- BA-২১০১৩১
ৰোল নং- UA-২১১-১৯৩-০২৭৬
পঞ্জীয়ন নং- ২১০৮৬৫৬৬


মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয়

## কৃতজ্ঞতা স্বীকাৰ ঃ

গুৱাহাটী বিশ্ববিদ্যালয়ৰ দ্বাৰা অনুমোদিত ষষ্ঠ ষাণ্মাসিকৰ ASM-HE-6056 কাকতখনি বাধ্যতামূলক হোৱা হেতুকে উচ্চ শিক্ষাত এই প্ৰকল্প কাকতখনে অগ্ৰনি ভূমিকা গ্ৰহন কৰিছে। এই প্ৰকল্প কাকতখন পাঠ্যক্ৰমত অন্তৰ্ভূক্ত হোৱা বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ওচৰত থাকিলোঁ কৃতজ্ঞ।

বাধ্যতামূলক ভাৱে প্ৰস্তুত গৱেষণা পত্ৰখনিত মোৰ বিষয় "পৰম্পৰাগত অসমীয়া বিবাহ আৰু মাহানবিষ্ণুপুৰ মানুহৰ বিবাহ পদ্ধতি" বিশ্লেষণাত্মক প্ৰকল্প প্ৰস্তুত কাৰ্যত মহেন্দ্ৰ নাৰায়ন চৌধুৰী বালিকা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ শ্ৰদ্ধাৰ শ্ৰী বিশ্বৰাম ইংলেং চাৰৰ ওচৰত চিৰকৃতজ্ঞ।

গৱেষণা পত্ৰিকা খনৰ বাবে প্ৰয়োজনীয় তথ্য-ৰাজী সমূহৰ বাবে মহেন্দ্ৰ নাৰায়ন চৌধুৰী

বালিকা মহাবিদ্যালয়ৰ পুথিভঁৰাল, নলবাৰী জিলা পুথিভঁৰাল আৰু মোৰ ঘৰুৱা অংগ্ৰহত সহায় কৰা মোৰ আত্মীয় সকললৈ মোৰ কৃতজ্ঞতা জনালো।

শ্ৰী স্মৃতিৰেখা কলিতা

## সূচীপত্ৰ পৃষ্ঠা

উপক্ৰমণিকা

(ক) অধ্যয়নৰ প্ৰয়োজনীয়তা ১ – ৪

(খ) অধ্যয়নৰ সমল

(গ) অধ্যয়নৰ পদ্ধতি

(ঘ) অধ্যয়নৰ পৰিসৰ

প্ৰথম অধ্যায় : সাহনিবিলুপুৰ গাওঁৰ পৰিচয় ৫ – ১০

দ্বিতীয় অধ্যায় : পৰম্পৰাগত অসমীয়া বিবাহ আৰু সাহনিবিলুপুৰ গাওঁৰ বিবাহ পদ্ধতি ১১ – ৩৪

তৃতীয় অধ্যায় : অসমীয়া বিবাহত বিশ্বায়নৰ প্ৰভাৱ ৩৫ – ৩৮

উপসংহার ৩৯ — ৪০

সহায়ক গ্রন্থপঞ্জী ৪১ — ৪২

সংবাদ দাতা ৪৩

আলোক চিত্র ৪৪ — ৪৫

## উপক্ৰমণিকা ঃ

### (ক) ০.০১ অধ্যয়নৰ প্ৰয়োজনীয়তা ঃ

অসমত বাস কৰা প্ৰতিটো জনগোষ্ঠীৰে নিজা সামাজিক নীতি-নিয়মৰ মাজেৰে বিভিন্ন অনুষ্ঠান পালন কৰা দেখা যায়। সামাজিক অনুষ্ঠানৰ ভিতৰত বিবাহ অনুষ্ঠান অতি গুৰুত্বপূৰ্ণ। জীৱনৰ অনবদ্য অংশ বিবাহ কাৰ্য্যৰ লগত জড়িত নীতি-নিয়ম সমূহ অসমীয়া বিবাহত কেনেদৰে পালন কৰা হয় তাকে এই প্ৰকল্পটিত আলোচনা কৰা হৈছে। এই "পৰম্পৰাগত অসমীয়া বিবাহ অনুষ্ঠান" বিষয়টিয়ে অসমীয়া সমাজত প্ৰচলিত নীতি-নিয়ম, কৃষ্টি-সংস্কৃতি আদি ব্যক্ত কৰিব। এনেবোৰ উদ্দেশ্য আগত ৰাখিয়েই ক্ষুদ্ৰ অধ্যয়নৰ প্ৰয়াস কৰা হৈছে।

(ঝ) ০.০২ অধ্যয়নৰ সমল ঃ

কোনো কথা জানিবলৈ হ'লে অধ্যয়নৰ প্ৰয়োজন। মূল নজনাকৈ তাক ব্যাখ্যা কৰা অসম্ভৱ। মোৰ প্ৰকল্প-পত্ৰ প্ৰস্তুত কৰোঁতে নাহানাৰিশ্বিপুৰ গাঁওৰ কেইগৰাকী মান মহিলাৰ লগতে মোৰ ঘৰুৱা আত্মীয় সকল আৰু ইন্টাৰ নেটৰ পৰা এই বিষয়টোৰ সম্পৰ্কে প্ৰয়োজনীয় তথ্য সংগ্ৰহ কৰা হৈছে। ইয়াৰোপৰি অসম বিখ্যাত বিভিন্ন সাহিত্যিকৰ সংস্কৃতি মূলক গ্ৰন্থ আদিৰ ওপৰতও কম বেছি পৰিমানে নিৰ্ভৰ কৰা হৈছে।

(গ) ০.০৩ অধ্যয়নৰ পদ্ধতি ঃ

প্ৰকল্পখন প্ৰস্তুত কৰাৰ বাবে বিভিন্ন পদ্ধতি অৱলম্বন কৰা হৈছে। প্ৰধানকৈ বিশ্লেষণাত্মক আৰু পৰিচয়মূলক পদ্ধতি অৱলম্বন কৰা হৈছে।

(ঘ) ০.০৪ অধ্যয়নৰ পৰিসৰ ঃ

গৱেষণা প্ৰকল্প এক তথ্য সম্বলিত অধ্যয়ন। প্ৰকল্পৰ বাবে প্ৰস্তাৱিত বিষয়টি "অসমীয়া বিবাহ অনুষ্ঠান" হোৱা হেতুকে মোৰ বিষয়টিত সাহানবিষ্ণুপুৰ গাওঁৰ [illegible] এক পৰিচয় মূলক আলোচনা কৰা হ'ব আৰু অসমীয়া লোক সমাজত প্ৰচলিত বিবাহ

সম্পৰ্কীয় ৰীতি-নীতি পৰম্পৰা সমূহ কেনেদৰে পালন কৰা হয় তাৰ আভাস দিয়া হ'ব। অসমীয়া লোক সমাজত প্ৰচলিত বিবাহ ব্যৱস্থা বা পদ্ধতি কেইপ্ৰকাৰৰ আৰু কি কি তাৰ লগতে এই অসমীয়া লোক সমাজত কি কি নিয়ম আদিৰ জৰিয়তে এই বিবাহৰ মাংগলিক কাৰ্য্য সম্পাদনা কৰে, তাৰ আলমতেই এই নীতি-নিয়ম পৰম্পৰা সমূহ সামৰি এই প্ৰকল্পটি প্ৰস্তুত কৰা হৈছে।

# প্রথম অধ্যায়

১.০১
## গাঁৱৰ পৰিচয়ঃ

মই বাস কৰা গাঁওখনৰ নাম- সাহানবিষ্ণুপুৰ। এই গাঁওখন নলবাৰী জিলাৰ পূব প্ৰান্তত অৱস্থিত। নলবাৰী জিলাত অৱস্থিত এই গাঁওখনক কোচতোলা বুলিও জনা যায়। গাঁওখন ডাঙৰ হোৱা হেতুকে গাঁওখনক সাহানবিষ্ণুপুৰ আৰু ক্ষুদ্ৰবিষ্ণুপুৰ নামেৰে নামাকৰণ কৰে।

এই গাঁওখনত বেছিভাগ মানুহে জীৱিকাৰ বাবে খেতি কৰে। এই খন গাঁওত প্ৰচুৰ পৰিমাণে ধানখেতি কৰা হয়। আঘোন-পুহ মাহত গোটেই গাঁওৰ মাটিকালি খেতি ৰে ভৰি থাকে।

১.০২ গাওঁৰ ধৰ্ম ঃ

নলবাৰী জিলাত অৱস্থিত সাহান-বিষ্ণুপুৰ গাওঁখনত সাধাৰণতে দুটা ধৰ্মৰ লোক বসবাস কৰি আছে। ইয়াৰে এটা মুছলমান আৰু আনটো হ'ল হিন্দু ধৰ্ম। গাওঁখনত দুটা ধৰ্মৰ বিশেষে বেলেগ বেলেগ ধৰণৰ উৎসৱ- পাৰ্বন অনুষ্ঠিত কৰে। মুছলমান সকলে সিহঁতৰ মাদ্ৰাছাত বছৰি খোৱা জলচাহ এখন উদযাপন কৰে। আৰু হিন্দুসকলে সিহঁতৰ দৌল, দেৱালী, শিৱৰাত্ৰী, সত্ৰ আদি উদযাপন কৰা বুলি জনাজ্ঞাত।

১.০৩ গাওঁৰ প্ৰসিদ্ধ স্থান ঃ

গাওঁখনৰ প্ৰধানকৈ প্ৰসিদ্ধ স্থান হিচাপে গাওঁখনৰ পূৱ দিশে থকা বাৰ গোপাল মন্দিৰ; উত্তৰে আছে শিৱ মন্দিৰ তাত শিৱৰাত্ৰী উদযাপন কৰা হয়। আৰু দক্ষিণে দিশে

মছজিদ আছে। এই তিনিটা স্থান গাওঁখনত প্ৰসিদ্ধ স্থান।

১.০৪ গাওঁৰ ভাষা ঃ

নিৰ্দিষ্ট এক ভৌগলিক পৰিবেশৰ মাজত নিৰ্দিষ্ট এক জনসংখ্যা প্ৰায় একে ধৰণৰ ধ্বনি উচ্চাৰণ কৰি; তাৰ মাজেদি পৰম্পৰা এটি ভাষা প্ৰচলন হৈ গৈ আছে সেইটো হ'ল অসমীয়া, কিন্তু আমাৰ গাওঁৰ ভাষা-টোক অন্য গাওঁৰ মানুহে কথিত নাইবা নলবেইৰা বুলি কয়।

(তথ্য দাতা - শ্ৰী সমীৰ কলিতা)

১.০৫ গাওঁৰ সীমা ঃ

মই বাস কৰা গাওঁখনৰ পূব দিশত নিলপুৰ গাওঁ অৱস্থিত লগতে বাৰ গোপাল মন্দিৰ অৱস্থিত। পশ্চিম দিশে কোচতোলা

গাওঁ অৱস্থিত । আনহাতে, উত্তৰ দিশে আছে খাজহুৱা শিৱ মন্দিৰ আৰু কেহেৰুৱা গাওঁ । সাহানবিষ্ণুপুৰ গাওঁৰ দক্ষিণ দিশে আছে মহিজিদ আৰু দিহজাৰী গাওঁ।

### ১.০৬ গাওঁৰ মাটি কালি ঃ

সাহানবিষ্ণুপুৰ গাওঁৰ মাটিকালি হ'ল-
২.০৩ বৰ্গ কি: মি: (২০১১ চনৰ তথ্যমতে)

### ১.০৭ গাওঁৰ জনসংখ্যা ঃ

গাওঁৰ জনসংখ্যা ২০১১ চনৰ লোকপিয়ল অনুসৰি সাহানবিষ্ণুপুৰ গাওঁখনত প্ৰায় ১৫০০ ৰ পৰা ২০০০ মান লোকে বাস কৰি আছে।

### ১.০৮ গাওঁৰ জীৱিকা ঃ

প্ৰধানকৈ আমাৰ গাওঁৰ মানুহ কৃষি কৰ্মৰ আৰু মীন পালনৰ লগত জড়িত। ইয়াৰ

উপৰিও পশু-পালন, বয়ন, শিল্প, সৰু-ডাঙৰ অন্যান্য ব্যৱসায়ৰ লগত জড়িত।

কিছু সংখ্যক লোক চৰকাৰী চাকৰিয়াল আৰু আন কিছুসংখ্যক ব্যক্তিগত খণ্ডৰ বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত কৰ্মৰত।

১.০৭ গাওঁৰ সাহিত্যঃ

আমাৰ মাহানবিষ্ণুপুৰ গাওঁৰ শিক্ষিত সমাজৰ মাজত সাহিত্য অনুৰাগী বহুতো লোক আছে। আমাৰ গাওঁৰ নৰেন্দ্ৰ কলিতাই বিভিন্ন নাট লিখি স্থানীয় নাট্য দল খুলি নাট মঞ্চস্থ কৰিছিল। তেখেতৰ পিছত হৰমোহন কলিতা ডাঙৰীয়াই বহু কেইখন নাট, কবিতা পুথি, চুটিগল্প, উপন্যাস, আদি ছপা কৰি অসমীয়া সাহিত্যত অৰিহনা যোগাই আহিছে। আমাৰ উঠি অহা সমাজৰ মাজে বহুতো ল'ৰা-ছোৱালী

বৰ্ত্তমান সাহিত্য চৰ্চা কৰি আছে।

গাওঁৰ ভৌগলিক স্থিতি ঃ

নলবাৰী জিলাৰ পূৱ প্ৰান্তত থকা এই বৃহৎ বৃহৎ গাওঁখন ভৌগলিক ভাৱে ই এক সমভূমিৰ মাজত আছে। ইয়াৰ পৰা বহু দূৰত পাহাৰ- পৰ্বত আছে। গাওঁৰ ভূ-খণ্ড সমান স্থলভাগ আৰু সৰু- সুৰা নদীৰে পৰিপূৰ্ণ।

# দ্বিতীয় অধ্যায়

২.০১ পৰম্পৰাগত অসমীয়া বিবাহ আৰু সাহানবিবুপুৰ গাঁওৰ বিবাহ পদ্ধতি ঃ

বিবাহ সামাজিক জীৱনৰ এক বিশেষ অনুষ্ঠান। বিবাহৰ সৈতে ধৰ্মীয় ৰীতি-নীতি জড়িত হৈ আছে। অসমৰ বৰ্ণ হিন্দু সকলে বৈদিক প্ৰথা অনুসৰি হোম পুৰি বিবাহ পাতে। সদৌ ভাৰতত এক বেদ- মন্ত্ৰ দ্বাৰা বিবাহ কাৰ্য সম্পন্ন কৰা হয় যদিও অসমীয়া বিয়াৰ ৰীতি-নীতিয়ে এক অনন্য বৈশিষ্ট বহন কৰে। বিবাহ - (বি- বহ্ + ঘঞ) বিয়া পৰিণয়, ভাৰ্যা-স্বামী সম্বন্ধ কৰা কাৰ্যক বুজায়। এক ধৰ্ম, এক বৰ্ণ আৰু পৰম্পৰাৰ মাজত সম্বন্ধহীন দুজন যুৱক যুৱতীৰ স্বামী-স্ত্ৰী হিচাপে হোৱা মিলনক বিবাহ বোলে। হিন্দু ধৰ্মৰ বিবাহ আঠ (৮) প্ৰকাৰৰ - (১) ব্ৰাহ্ম, (২) দৈৱ, (৩) আৰ্য, (৪) প্ৰাজাপত্য, (৫) গান্ধৰ্ব, (৬) আসুৰ, (৭) পৈশাচ, (৮) ৰাক্ষস। (ইয়াৰ প্ৰথম চাৰিবিধ

উত্তৰ আৰু পিছৰ চাৰিবিধ অধৰ্ম বুলি শাস্ত্ৰত উল্লেখ আছে।)

(১) ব্ৰাহ্ম বিবাহত কন্যাক বস্ত্ৰ আদিৰে ভূষিত কৰি, নিজৰ পছন্দ অনুসাৰি কোনো সুন্দৰ, সুবিদ্বান আৰু কন্যাৰ যোগ্য পুৰুষক আহ্বান কৰি আনি আদৰ- অভ্যাৰ্থনাসহকাৰে কন্যা-দান কৰাকে ব্ৰাহ্ম বিবাহ বোলে। (আচ্ছাদ্য চাৰ্চয়িত্বা চ শ্ৰুতিশীলৱতে স্বয়ম। আহূয় দানং কন্যায়া ব্ৰাহ্মো ধৰ্ম প্ৰকীৰ্তি:॥ মনু-৩/২৭)

(২) বৃহৎ যজ্ঞত কোনো বিদ্বান পুৰুষক বৰণ কৰি ব্ৰহ্মণৰ কৰ্মত নিয়োজিত বস্ত্ৰ, অলংকাৰ আদিৰে অলংকৃতা কন্যা দান কৰিলে তাক দৈৱ বিবাহ বোলে। (মনু-৩/২৮)

(৩) এহাল বা দুহাল গাই, দমৰা দৰাৰ পৰা লৈ ধৰ্ম- পূৰ্বক কন্যাদান কৰিলে তাক আৰ্য বিবাহ বোলে। (মনু-৩/২৯)

(৪) যজ্ঞশালাৰ বিধি অনুসৰি যজ্ঞাদি সম্পন্ন কৰি সকলোৰে সন্মুখত "তোমালোক দুয়োমিলি গৃহাশ্রমৰ কৰ্মবোৰ সুচাৰুৰূপে পালন কৰা" এনেদৰে সম্বোধন কৰাৰ পিছত দৰা-কইনা ইচ্ছা পূৰ্বক পাণি গ্ৰহণকে 'প্ৰাজাপত্য' বিবাহ বোলে। (মনু- ৩/ ৩০) (অপ্ৰাপ্তৰতা কন্যাৰ বাবে দৰা নিমন্ত্ৰণ কৰি আনি কন্যা দাতাই সালংকৃতা কৰি সম্প্ৰদান দিয়া বিবাহ।) আমাৰ সমাজত বাবে 'প্ৰাজাপত্য' বিবাহকে পূৰ্ব পুৰুষসকলে যোগ্যতম বুলি বিবেচনা কৰি সেই মতে চলি আহিছে। কিন্তু লাহে লাহে শাস্ত্ৰীয় 'প্ৰাজাপত্য' প্ৰথাবো ব্যতিক্ৰম ঘটিছে। আজিৰ পৰা বহু বছৰ আগলৈকে, শান্তি হোমৰ আগতে কন্যাদান দিয়াটো 'প্ৰাজাপত্য বিবাহৰ প্ৰধান বিষয় আছিল। যদিও বৰ্তমান সেই নিয়ম আমাৰ সমাজত নাই। দ্বিতীয়তে 'হস্তোদক' দিয়া পূৰ্বৰ নিয়ম বৰ্তমান সেই নিয়ম বৰ্তমান সমাজত কিছু পৰিবৰ্তন হৈছে। বিবাহ মণ্ডপত উপস্থিত

হোৱাৰ পিছতে 'হস্তোদক' দিয়াতো আজিৰ সমাজত পৰিণত হৈছে। তৃতীয়তে গাৰ্হস্থ্য কৰ্ম দুয়োৰ দ্বাৰাহে হ'ব লাগে, সেইটোও আজিকালি বিবাহ হোমৰ অন্তত কইনাৰ দ্বাৰাও কৰা হৈছে। এই পৰিবৰ্তনবোৰ সমাজে স্বীকৃতি দিয়া বাবে শুদ্ধ বুলি গণ্য কৰা হৈছে। এই চাৰি প্ৰকাৰ বিবাহেই উৎকৃষ্ট বিবাহ। (মনু - ৩/২৫)

⑤ দৰা- পক্ষৰ জ্ঞাতি কুটুম্ব আৰু কন্যাক সাধ্যানুসাৰে ধন- বিত্ত আদি প্ৰদান কৰি হোমাদিৰে কন্যাদান কৰিলে আসুৰ বিবাহ বোলে। (মনু-৩/৩১)

⑥ স্ত্ৰী- পুৰুষৰ স্ব- ইচ্ছাৰে মিলন ঘটিলে আৰু কামনা সক্ত হৈ গোপনে পৰস্পৰে পৰস্পৰক পতি- পত্নী হিচাপে মানি লৈ যদি বিবাহ পাশত আবদ্ধ হয় তাকে গান্ধৰ্ব বিবাহ বোলে। (মনু-৩/৩২)

⑦ হনন আৰু ছেদন অৰ্থাৎ ৰক্ষক বিনাশায়ী কৰি ভয়ত কম্পমান আৰু ক্ৰন্দনৰতা কন্যা

হৰণ কৰি যি বিবাহ কৰোৱা হয় তাক ৰাক্ষস বিবাহ বোলে। (মনু-৩/৩৩)

(৮) নিদ্ৰিতা বা মদ্যপান কৰি উন্মত্ত হোৱা নাৰীক নিজ্যানত অকলে পাই দূষিত কৰা- ই সকলো প্ৰকাৰৰ বিবাহৰ ভিতৰত অতি নিকৃষ্ট আৰু অপবিত্ৰ। ইয়াক পৈশাচ বিবাহ বোলে। (মনু- ৩/ ৩৪)

ব্ৰাহ্ম, দৈব, আৰ্য, আৰু প্ৰাজাপত্য- এই চাৰি প্ৰকাৰৰ বিবাহত স্ত্ৰী- পুৰুষৰ পাৰস্পৰিক পাণি গ্ৰহণৰ দ্বাৰা যি সন্তানৰ উৎপত্তি হয়, সি বেদাদি শাস্ত্ৰত পাৰ্গত আৰু আপ্ত পুৰুষৰ সমান শ্ৰেষ্ঠ হয় (মনু-৩/৩৪), তেনেকোৱা সন্তান- সন্ততি ৰূপৱান, বলৱান, পৰাক্ৰমী, শুভবুদ্ধি সম্পন্ন, গুণবান, ঐশ্বৰ্যশালী, সকলো ভোগৰ ভোগী আৰু ধাৰ্মিক শ্ৰেষ্ঠ হৈ ক্ৰমবদ্ধতে জীয়াই থাকে। (মনু-৩/৩৯-৪০) এই চাৰি প্ৰকাৰৰ বিবাহৰ বাহিৰে আসুৰ, গান্ধৰ্ব,

যাক্ষস আৰু পৈশাচ নামেৰে বিবাহৰ ফলত জন্মলাভ কৰা সন্তানসকল নীচ কৰ্মত প্ৰবৃত্ত, অসত্যবাদী, বৈদিক ধৰ্মৰ বিদ্বেষী আৰু চৰিত্ৰহীন হয় (মনু-৩/৪১) সেই কাৰণে নিকৃষ্ট বিবাহ সমূহ ত্যাগ কৰি সৰ্বোৎকৃষ্ট সন্তান লাভৰ বাবে উত্তম প্ৰকাৰৰ বিবাহ কৰোৱা উচিত। তেহে সমাজত বৰ্তি থাকিব।

উল্লেখ আছে:

উৎকৃষ্টায়াভিৰূপায় বৰায় সদৃশায় চ।
অপ্ৰাপ্তামপি তাং তস্মৈ কন্যাং
দদ্যাদ্যথাবিধি ॥(মনু৯/৭৭)

সুন্দৰ শ্ৰেষ্ঠ আৰু ৰূপবান বৰ পোৱাৰ লগে লগেই কন্যা বিবাহযোগ্য নহ'লেও বিয়া দিব লাগে।

কামমামৰণাত্তিষ্ঠেদ গৃহে কন্যাৰ্তুমত্যাপি।
ন চৈবৈনাং প্ৰযচ্ছেতু গুণহীনায় কৰ্হিচিৎ ॥
(মনু-৯/৭৯)

প্ৰয়োজন হ'লে কন্যা আমৰণ পিতৃ গৃহত অবিবাহিতা

হৈ দিন কটাব; তথাপিও অযোগ্য; অসৎ স্বভাৱৰ পুৰুষলৈ কোনেও বিবাহ দিয়া উচিত নহয়।

এতিয়া অসমীয়া সমাজৰ বিবাহৰ কথালৈ আঁহো। সাধাৰণতে ঘৰত বিবাহযোগ্য ল'ৰা বা ছোৱালী থাকিলে - উপযুক্ত পাত্ৰ- পাত্ৰীৰ সন্ধানৰ বাবে কোনো তৃতীয় ব্যক্তিৰ(যাক কটকী, ঘটক, আমুলী আদি বুলি কোৱা হয়) দ্বাৰা প্ৰাৰম্ভিক যোগা-যোগ কৰাৰ পিছত নীতি- নিয়মৰ মাজেৰে বিবাহ কাৰ্যৰ বাবে আগবঢ়া হয়। প্ৰথমতে দৰা ঘৰে ভাল মাহ, দিন-বাৰ - ক্ষণ চাই কন্যা ঘৰত তামোল-পাণ পেলায়। দৰাৰ মাক-দেউতাকৰ সৈতে আত্মীয় লোকে তামোল-পাণৰ শৰাই আগবঢ়ায়। ছোৱালী ঘৰৰ যদিহে একো আপত্তি নাথাকে তেওঁলোকেও তামোল পাণৰ শৰাই দি মত প্ৰকাশ কৰে। দৰা ঘৰৰ মানুহক কইনাই চেলেং, গামোচা দি মান-সন্মান জনায়। কইনা ঘৰে দৰা-ঘৰীয়া

অতিথিক স-সন্মানেৰে চাহ-জলপান খুৱাই আপ্যায়িত কৰে।

ছোৱালীৰ পচন্দ হোৱাৰ পাছতে আঙুঠি পিন্ধাবলৈ দিন বাৰ বন্দৱস্ত কৰে। কইনা খোজাৰ দৰে ভাল দিন-বাৰ-ক্ষণ চাই আঙুঠি পিন্ধাবলৈ ঠিক কৰা নিৰ্দিষ্ট দিনটোত - দৰাৰ মাক-দেউতাক, ভাই-ককাই; নবৌয়েক, ভনীয়েক, খালপাতি, বৈনাই; জেঠেৰী আদি সম্বন্ধীয় লোক আৰু গাঁৱৰ দুই চাৰিজন মুখিয়ালৰ সৈতে আঙুঠি পিন্ধাবলৈ যায়। সাধাৰণতে দৰাৰ মাকে কইনাক আঙুঠি পিন্ধাব লাগে। মাকৰ অনুপস্থিতিত দৰাৰ নবৌকে বা কোনো নিকট আত্মীয়ই আঙুঠি পিন্ধাব পাৰে। কোনো কোনো সমাজত দৰাইহে কইনাক আঙুঠি পিন্ধোৱাৰ নিয়ম আছে। আঙুঠিৰ লগত তেল, পাউদাৰ - স্নো, ফণী - আইনাৰ লগতে পাটৰ কাপোৰৰ জযোৰ দিয়ে। আঙুঠি পিন্ধোৱাৰ সময়ত

দৰা- ঘৰীয়াসকলক কইনা ঘৰৰ পদূলিৰ মুখতে কইনা-ঘৰীয়াই তামোল পাণৰ শৰাই দি আদৰে। দৰা ঘৰেও তামোল পানৰ শৰাই আগবঢ়াই আদৰণি - সম্ভাষণ গ্ৰহন কৰে আৰু কইনাৰ মাক তথা সম্বন্ধীয় লোকে দৰা ঘৰীয়াক ঘৰৰ ভিতৰলৈ আদৰি আনে। সমাজ বহাৰ পাছতে মাহীয়েক বা বৌয়েক সম্বন্ধীয় কোনোৱে উৰুলি- ধ্বনিৰে কইনাক সমাজৰ আগলৈ লৈ আনে। কইনাৰ মাক, মাহীয়েকে সমাজত মুখ দোঁৱাই সেৱা জনাই। দৰা- ঘৰীয়াই কইনাৰ মংগলৰ অৰ্থে আশীৰ্বাদ দিয়ে। কইনাক সমাজৰ মাজত বহুৱাই আঙুঠি পিন্ধোৱা পৰ্ব আৰম্ভ কৰে। প্ৰথমে দৰাৰ মাক বা কোনো জ্যেষ্ঠ আত্মীয় মহিলাই কইনাৰ মুখত তেল দি উৰুলি দিয়ে। মুখ ফনিয়াই কপালত ~~সেন্দু~~ সেন্দুৰৰ তিলক পিন্ধাই দি সোঁ হাতৰ অনামিকা আঙুলিত আঙুঠি পিন্ধাই দিয়ে। লগত নিয়া কাপোৰযোৰ নবৌয়েকে বা ননদে

শিক্ষাই দিয়ে, আয়তীসকলে জ্যোতিষী জ্যোতিষী উৰুলি দিয়ে। পাছত দৰা ঘৰীয়া সহ আলহী-অতিথি সকলক জল- জলপানেৰে আপ্যায়িত কৰে।

সাধাৰণতে আগৰ দিনৰ বিয়াবিলাক তিনিদিনীয়াকৈ অনুষ্ঠিত কৰা হৈছিল। প্ৰথম দিনা জোৰণ, দ্বিতীয় দিনা গাঁঠিয়ন আৰু তৃতীয় দিনা বিয়া।

## 2.02 প্ৰথম দিনা জোৰণ ঃ

জোৰণৰ দিনাখন পুৱাতে দৰাৰ ঘৰত দৰাৰ মাক, কইনাৰ ঘৰত কইনাৰ মাকে বয়োজ্যেষ্ঠা দুগৰাকীমানেৰে সৈতে শুভক্ষণ মতে পদুলিত কল পুলি পুতি উৰুলি-ধ্বনিৰে সৈতে আমডালি আঁৰে। আমডালিত পাণ আৰু আমৰ পাত গাঁঠি সী দিয়া হয়। ঘৰৰ প্ৰতিখন দুৱাৰ মুখতো আমডালি আঁৰে। দৰা-ঘৰৰ পৰা জোৰণ ওলাই অহা পূৰ্বে কইনা-ঘৰলৈ নিয়া-তেল-

সেন্দুৰ, আ- অলংকাৰ, কাপোৰ- কানিৰ বাকচ, জলপান, দৈৰ কলহ, কইনাৰ মাকৰ পেটৰ পোৱাণি মাৰিবলৈ দমালমান বনৰীয়া কচুৰ থোৰ (নিয়া বিশেষ নিয়ম) ৰ লগত পোটে মাছ আদি সকলো বস্তু সমাজৰ আগত থৈ দৰাৰ মাক- দেউতাকে তামোল-পাণৰ শৰাই আৰু মানি দি বাইতক সেৱা জনায়। কোনো কোনো সমাজত কইনাৰ ঘৰলৈ জোৰণ দিয়া সামগ্ৰীৰ লগত বাৰীৰ এথোক তামোল দিয়ে।

কইনাৰ ঘৰ দূৰণিবটীয়া হ'লে জোৰণ দিবলৈ যোৱা নিৰ্বাচিত ব্যক্তিসকলৰ বাবে দৰা-ঘৰে গাড়ীৰ ব্যৱস্থা কৰে; যদিও দুই-এবে নিজা গাড়ীৰেও যায়।

শুভক্ষণত জোৰণ লৈ কইনাৰ ঘৰৰ পদূলিত আমজালি আঁৰা কল পুলিৰ তলত উপস্থিত হোৱাৰ লগে লগে- জোৰণ পালেহি বুলি কইনা-ঘৰত আয়তী সকলে উৰুলি জাৰি মাৰি পায়।

তাৰ পাছত নীতি নিয়মৰ মাজেৰে কইনাক সজোৱা পৰ্ব আৰম্ভ হয়। দৰা-ঘৰীয়া দুৰ্ৱাৰ পৰা দৰাৰ মাকে এমুঠি চাউল লৈ কইনাৰ বাবে বিশেষভাৱে পাৰি থোৱা পাটিৰ তলত ছটিয়াই দিয়াৰ পিছতেই তোৰণ পিন্ধাবলৈ কইনাক ভিতৰৰ পৰা এগৰাকী যোৱাৰীয়ে ধৰি ধৰি সমাজৰ মাজলৈ উলিয়াই আনে।

কইনা পাটত বহাৰ পিছতে দৰাৰ মাকে মূৰত তেল দি মূৰ ফনিয়াই, কপালত সেন্দুৰৰ ফোঁট, শিৰত সেন্দুৰ বুলাই দি উৰুলি তোকাৰ মাৰি তোৰণ পিন্ধাই। বাকী বস্ত্ৰ অলংকাৰ দৰাৰ নবৌয়েক বা কোনো আত্মীয়ই পিন্ধাই। অতীজতে কইনাক খুৰিয়া, গামখাৰু, গলপতা, মাদলী, বেনা, আঙুঠি, জোনবিৰি, চন্দ্ৰহাৰ ইত্যাদিৰ লগতে সিংখাপৰ পাটৰ ৰিহা-মেখেলা-চাদৰ, ~~কু~~ মেজাংকৰী মুগাৰ ৰিহা-মেখেলা-চাদৰ তোৰণত দিছিল।

'টেকেলী' বা তোৰণৰ দিনাখন

তামোল আদিৰে খাইজক আপ্যায়িত কৰি সেইদিনা বিদায় দিয়ে।

-২.৩৬ দ্বিতীয় দিনা প্যাঁঠিয়ন :-

জোৰণৰ পাছ দিনা পাঁঠিয়ন খুন্দা হয়। তাই বিশেষে সেইদিনাও পানী তুলি আনি কইনাক ইকৰা তিনিদালেৰে সজোৱা বেইৰ তলত পাম- ধুৱাই দাং- কোলাকৈ অনা হয়। আগ দিনা নোৱাৰ খোতোতে সজোৱাৰ দৰেই সজাই দৰা বা কইনাক নোৱানি তাইত বহুৱাই উত্তম সাজ পিন্ধাই। তাৰ পিছত দৰা বা কইনাৰ সন্মুখত এখন পতাত পাঁঠিয়ন হৈথ মাক আৰু দৰা বা কইনাক এখন কাপোৰেৰে ঢাকি দৰা বা কইনাৰ মূৰত এগৰাকী আয়তীয়ে ঘাটটো ধৰি থাকে। কাপোৰৰ ভিতৰত থকা দৰা বা কইনাই কোনেও পাঁঠিয়নৰ পতাখন নেদেখাকৈয়ে হাতখনেৰে পতা গুটিটো ধৰি টেকেলী ধৰা গৰাকী অৰ্থাৎ মাক আৰু তিনি গৰাকী বা পাঁচ গৰাকী আয়তীয়ে পতা গুটিটো

ধৰে। নামতীয়ে পাঁচিয়নৰ জন্ম বৃত্তান্ত নহোৱালৈকে খুলি থাকে। যেতিয়া নাম শেষ হয় তেতিয়া খুন্দা পাঁচিয়নৰ ফোঁট লৈ দৰা বা কইনাক সেই পাটীতে শুই থাকিবলৈ দিয়া হয়। লগত দুগৰাকী ধৰা জনীৰ সৈতে তিনিজনী ওৰা ছোৱালী আৰু মাক থাকে।

2.08
## তৃতীয় দিনা বিয়া ঃ

বিয়াৰ দিনা নিচেই ৰাতিপুৱাতেই পানী তুলি আনি কইনা বা দৰাক গা-ধুৱায়। গা-ধুই দৈৱকীয়ে অৰ্থাৎ মাকে দৰা বা কইনা শুই থকা ঘৰটোৰ দুৱাৰ মুখত আঁৰ কাপোৰ এখন তাৰ ভিতৰ ফালে পীৰা এখন পাৰি থৈ বাহিৰ ফালে দৰা বা কইনাৰ সন্মুখত ঘটটো থৈ, দৈ দুপাতিৰ পাণ ছামলাকৈ থৈ, সেই বাতি দুটা দুগৰাকীয়েত থৈ চাকি জ্বলাই থোৱা হয়। বাহিৰৰ পৰা আয়তীসকলে প্ৰথমে উৰুলি দি দৈয়নৰ নাম গায়। লগে লগে দৰা বা

কইনা উঠি আহি পাৰি থোৱা পীৰাত বহি ভৰি কেইটা আঁৰ কাপোৰৰ তলেদি উলিয়াই থাখে। পাছত মাকে দৈৰ বাতি দুটাৰ এটা আগত লৈ আঁঠু কাঢ়ি দুহাতে দুখিলা পাণ লৈ দৈত অৱগাহিয়াই দৰা বা কইনাৰ ভৰিত সানি নিজৰ গাৰফালে চ্যাতি মাৰে। সেই দৰে কৰা হলে ঘাট-পানী, আমজালিৰে তিনিবাৰ চাটিয়াই চাটিয়াই নিজৰ গাৰফালে বাতিটো অনা হয়। অৱশেষত আমসাৰ দি মাক আঁতৰি আহিলে তৰাঁ থোৱালী অৰ্থাৎ দুগাৰি লোৱাজনী আৰু দৈ-পানী চাটিওৱা জনিয়েও দৈয়ন দি উঠাৰ পাছত আঁৰ কাপোৰৰ তলেদি দৰা বা কইনাসহ ওলাই যাব লাগে। কিয়ন দিউঁতে

বিয়াৰ দিনা পুৱা বেলাতে দৰা কইনাৰ দুয়ো ঘৰতে ভকত-বৈষ্ণৱ নিমন্ত্ৰণ কৰি নাম-কীৰ্ত্তন আৰু ব্ৰাহ্মণৰ দ্বাৰা ন-পুৰুষৰ শ্ৰাদ্ধ সমাধা কৰা হয়। বাকী দিনটো থোৱা-

খোৱা আৰু নিমন্ত্ৰীত অতিথি শুশ্ৰূষাৰ মাজেৰে পাৰ হৈ যায়। সন্ধিয়া হোৱাৰ লগে লগে দৰা-কইনা দুয়ো ঘৰতে পানী তুলিবলৈ যাবলৈ ওখল-মাখল লাগে। আয়তীসকলে গায় বিয়ানাম গায়।

দৰা-ঘৰতো দৰাক নোৱাই-ধুৱাই 'দৰা-সাজ' পিন্ধাই সূতৰ তুলসী মালাৰে সৈতে কইনা-ঘৰলৈ যাবৰ বাবে সাজু কৰোৱা হয়। বিশেষ নিয়মেৰে মাক-দেউতাকক সেৱা কৰি দৰাই বায়োজ্যেষ্ঠৰ পৰা আশীৰ্বাদ লৈ কইনাৰ ঘৰলৈ যাত্ৰা কৰে। দৰাৰ লগতে পুৰোহিত, বন্ধু-বান্ধৱ, দেউতাক আদিও থাকে। কোনো ঠাইত দৰা, কইনাৰ ঘৰলৈ আহোঁতে বাট আগচি বিভিন্ন প্ৰশ্নৰে দৰাক ব্যতিব্যস্ত কৰি ধেমালি কৰে।

"বিয়া"- অসমীয়া সমাজৰ বাবে নীতি-নিয়মৰ মাজেৰে অনুষ্ঠিত কৰা এটি সামাজিক

অনুষ্ঠানেই কেৱল নহয় – ই এখন ঘৰ আৰু এখন সমাজৰ মহা মিলনৰো আনন্দোৎসৱ হিচাপে ইয়াত ৰং-আমোদইয়ো বিশেষ স্থান পায়।

আয়তী সকলে গোৱা বিয়া নাম তলত উল্লেখ কৰা হ'ল-

(১) ঢোল দগৰ বজোৱা, সোণৰ ঘট সজোৱা
পানী, তুলিবলৈ দৈৱকীক উলিওৱা ...

জাত: কাষে ঘট লোৱা ৰাধা এমাথাই লোৱা মালা।
যমুনালৈ যাব লাগে নকৰিবা হেলা ।।

পদ: জয় পানী তুলিবলৈ জয় ওলাইছে দৈৱকী
জয় তিয়হৰ জালি যেন ভৰি।
জয় আগতে পাছে জয় গায়নে বায়নে
জয় হিলৈ তাঁই তাঁই কৰি ...

(২)

জাত : উঠা উঠা আইদেউ নুঠিলে নহয়।
আজি তোমাৰ বিয়াহ হব দৈয়নৰ সময়॥

পদ : আয়তী সকলে সিংহ দুৱাৰত বৈ।
দিব খোজে শুভ দৈয়ন উঠা লাহেকৈ॥
আগবাঢ় আঁহা আইদেউ দুৱাৰ মুখলৈ।
তোমাৰ আয়েৰে দৈয়ন দিব আঁঠু লৈ॥
দৈয়ন দিয়া আপোনাৰে আই।
ভালে কৰি দৈয়ন দিয়া ওই বাৰেই যায়॥

ওপৰত উল্লেখ কৰাৰ দৰে মাধৱপুৰৰ পাত্রত বিবাহ অনুষ্ঠিত কৰা হয়।

মাধৱপুৰৰ পাত্রত তুলনি বিয়া সম্পর্কে তলত উল্লেখ কৰা হ'ল—

তোলনি বিয়া : অসমীয়া সমাজত প্রচলিত আন এক লোকাচাৰ হ'ল তোলনি বিয়া।

হই তিৱোতা সমাজৰ মাজতহে প্ৰচলিত অনুষ্ঠান। প্ৰথম পুষ্পিতা হ'লে বা ছোৱালীৰ কন্যাকাল উপস্থিত হ'লে এই অনুষ্ঠানৰ আয়োজন কৰা হয়। তাই বিশেষে হই অনুষ্ঠুপীয়াকে আৰু তাই বিশেষে বৰ ঘুম ধামকে আচল বিয়াৰ দৰেই ইয়াক পালন কৰা হয়। সাধাৰণতে দহ-এঘাৰ বছৰ মান বয়সত ছোৱালী কন্যাকাল পায়। এই সময়চো এটা বয়ঃ সন্ধিৰ সময়। শাৰীৰিক আৰু মানসিক দুই ধৰণৰ পৰিবৰ্তনৰ মাজেদি ছোৱালী এজনীয়ে এই অৱস্থা পায়। পুষ্পিতা হোৱাৰ সময়ত ছোৱালী জনীৰ পিছৰ জীৱনৰ বাবে বৰ গুৰুত্বপূৰ্ণ বুলি ভবা হয়। এই ক্ষণৰ শুভ অশুভৰ দ্বাৰাই ছোৱালী জনীৰ পিছৰ জীৱনৰ ভাগ্য নিৰূপিত হয় বুলি ধৰি লোৱা হয়। ঋতুমতী ছোৱালী জনীয়ে চন্দ্ৰ, সূৰ্য্য; গছ-গছনি আৰু পুৰুষ মানুহক সেই সময়ছোৱাত দেখা নিষেধ। ইয়াৰ পৰা কিবা অমংগল হয়

বুলি এক জনবিশ্বাস আছে। সেয়ে জোৰালীজনীক এইবোৰৰ পৰা নিলগত থকা আতুৰীয়া ঘেৰিয়াত ৰখা হয়। মাটিৰ খোৰাৰ বিচনাত শুৱলে দিয়া হয়। অৱশ্যে এই ৰীতি এতিয়া বহু পৰিয়ালে শিথিল হৈ পৰিছে। এটা দুৱাৰিত চটিল, তামোল-পাণ, ৰূপৰ টকা আদিৰ লগতে কাষতে মিঠাতেলৰ চাকি এটি জ্বলাই জোৰালীজনী শোৱা পাটীৰ মূৰ দিশত থৈ দিয়া হয়। কাষতে এটা ঘটিত আমডালি, সিন্দুৰৰ ফোঁট আৰু এগাঁ সূতা তাৰ ইয়াৰ লগতে ৰাখে। তেলানি বিয়াত কলাই বন্ধা ৰীতি এটা অসমৰ প্ৰায় সকলো ঠাইতেই প্ৰচলিত আছে। সোণ, ৰূপ, পোৱাল আদি ধাতুৰে গঢ়া এবিধ মালাৰ লগতে তাবিজ, তিমৰু বা তিনিটা তামোল খোৰেৰে সৈতে

আনি তাত বস্তা বা বগা বঙৰ ওৰাঁ সূতা মেৰিয়াই দিয়া হয়। নামনি অসমত এখানি চুৰি, আখৈ, পিঠাগুৰি আদিও ইয়াৰ লগতে থাকে। পাঁচতাল খাৰিকা একেলগ কৰি এখন নতুন গামোচাৰে ইয়াৰ ওটা টোপোলা বান্ধি লোৱা হয়। নামনি অসমত এই টোপোলাটো এটা তোপাৰ ভিতৰত বাঁধি ওচৰ-চুবুৰীয়া, মিটিৰ-কুটুম্ব, বিশেষকৈ মোমায়েকৰ ঘৰত থোৱা হয়। ইয়াকে তপা থোৱা প্ৰথা বুলি জনা যায়। কইনাক সন্তানৰ প্ৰতীক হিচাপে গণ্য কৰা হয়।

সাধাৰণতে দুজিতা হোৱা বেলাটোত ছোৱালী জনীক একো খাবলৈ দিয়া নহয়। গুৱা-পানৰ্মুলী চৰাৰকৈ আমডালৰে ঘটৰ পানী ছটিয়াই আৰু মিঠাতেলৰ চাকিৰে

লোক দি সাৰ বা আগ দিয়া হয়।

সাধাৰণতে ছোৱালীৰ মাতৃয়ে এই কামটো কৰে।

গণকৰ দ্বাৰা শাস্ত্ৰ-পাঁজি লোৱাৰ পিছত চাৰিদিনৰ দিনা গা ধুৱা সময়টোও ঠিক কৰি লোৱা হয়। তিনিদিনৰ দিনা আখৈ ভজা ৰীতি এটা প্ৰচলিত আছে। আখৈবোৰ নুফুটিলে আগলৈ ছোৱালীজনী সন্তানহীনা হয় বুলি এটি লোক বিশ্বাস আছে। আকৌ আখৈবোৰ গোটা গোটা হ'লে ল'ৰা সন্তান আৰু পাহিমেলা ধৰণৰ হ'লে ছোৱালী সন্তান হয় বুলিও আন এটি ধাৰণা পাৰলীয়া সমাজত আছে।

নামনি অসমত চাৰিদিনৰ দিনা

আৰু উজনি অসমত সাতদিনৰ দিনা ছোৱালীক গা- ধুৱা হয়। গা- ধুৱাই কল খুলিটো ছোৱালীৰ দৰাৰ প্ৰতীক বুলি গণ্য কৰা হয় আৰু প্ৰকৃত বিয়াৰ দৰাই এই কল খুলিটো দেখিলে বেয়া বুলি স্নানৰ পিচত তাক উঠাই লোক চকুৰ আঁৰত কৰি থোৱা হয়। ভূবীজ, মাহ- হালধি আদিৰে নোৱাই গা-ধুৱাই পিচত ছোৱালী জনীক সজাই-পৰাই চোতালৰ আয়তী সমাজৰ ওচৰলৈ আনি প্ৰথমে সূৰ্য্য দেৱতা আৰু পিচত সমাজলৈ আঁঠু লোৱাই। আকৌ 'আমসাৰ' বা 'চাকিসাৰ' দি ছোৱালী-জনীক কোচত কনাইলৈ দিয়া হয়। আৰু ছোৱালীজনীক সন্তানৰ জননী হ'বলৈ ভগবানৰ

ওচৰত প্ৰাৰ্থনা জনোৱা হয়। তাৰ পিচত ইজনী-সিজনীয়ে কনাই লৈ ৰং ধেমালী কৰা দেখা যায়। জোৱালী জনীয়ে সৰু লৰা বা ছোৱালী কোলাত লৈ লাৰু, মিঠাই আদি খুৱাই ভগৱানৰ ওচৰত সুৰ দোৱায়। নানান ৰগৰ, ৰং ৰহইচ আৰু চাহ-জলপানৰ অন্তত সমাজুৱা সকলে সীত-সন্ততিৰে ভৰপূৰ এখন সংসাৰ হবলৈ আশীৰ্বাদ কৰি ঘৰলৈ গতি কৰি এই বিয়াৰ সামৰণি পেলায়।

# তৃতীয় অধ্যায়

৩.০০ অসমীয়া বিবাহত বিশ্বায়নৰ প্ৰভাৱ ঃ

বিশ্বায়নে পৰম্পৰাগত বিবাহ অনুষ্ঠানকে ধৰি বিশ্বৰ বিভিন্ন সংস্কৃতিৰ বিভিন্ন দিশত যথেষ্ট পৰিবৰ্তন আনিছে। অসমীয়া বিবাহ ৰীতি-নীতিৰ ক্ষেত্ৰত বিশ্বায়নৰ প্ৰভাৱে কিছুমান পৰম্পৰাগত প্ৰথাক ক্ৰমান্বয়ে অৱহেলা কৰা দেখা গৈছে। তলত অসমীয়া বিবাহ ৰীতি-নীতিৰ ওপৰত বিশ্বায়নৰ প্ৰভাৱৰ ওপৰত আলোকপাত কৰা কিছুমান মূল কথা উল্লেখ কৰা হ'ল-

বাহ্যিক প্ৰভাৱৰ সংস্পৰ্শ ঃ

টেলিভিছন, চিনেমা, ইন্টাৰনেটকে ধৰি বিশ্বব্যাপী সংবাদ মাধ্যমৰ সৈতে বৰ্ধিত পৰিচয়ে অসমীয়া যুৱক-যুৱতী সকলক বিশ্বৰ বিভিন্ন প্ৰান্তৰ বৈচিত্ৰপূৰ্ণ বিবাহ ৰীতি-নীতিৰ সৈতে পৰিচয় কৰাই দিছে।

গ্লেমাৰছ আৰু আধুনিক হিচাপে চিত্ৰিত পশ্চিমীয়া বিবাহ পৰম্পৰাই নৱ প্ৰজন্মৰ পছন্দ আৰু আশাক প্ৰভাৱিত কৰিবলৈ আৰম্ভ কৰিছে।

৩.০১ নগৰায়ন আৰু আধুনিক জীৱনশৈলী ঃ

- দ্ৰুত নগৰায়ন আৰু আধুনিক জীৱনশৈলী গ্ৰহণে অসমীয়া পৰিয়ালৰ মাজত অগ্ৰাধিকাৰ আৰু মূল্যবোধ স্থানান্তৰিত কৰিছে।

- ব্যক্তি সকলে শিক্ষা আৰু নিয়োগৰ বাবে নগৰ কেন্দ্ৰলৈ প্ৰব্ৰজন কৰাৰ লগে লগে পৰম্পৰাগত ৰীতি-নীতিৰ ওপৰত বিশ্বব্যাপী প্ৰথাক আকোৱালি লোৱাৰ প্ৰৱণতা দেখা যায়।

আন্তঃজাতিগত আৰু আন্তঃধৰ্মীয় বিবাহ ঃ

- বিশ্বায়নে অসমত আন্তঃজাতিগত আৰু আন্তঃধৰ্মীয় বিবাহ বৃদ্ধিৰ সুবিধা কৰি দিছে।

• বিভিন্ন সাংস্কৃতিক পটভূমির দম্পতিয়ে প্ৰায়ে বিভিন্ন পৰম্পৰা উপাদান মিহলি কৰি অসমীয়া আচাৰ-ব্যৱহাৰৰ প্ৰামাণ্যতাক পাতল কৰি নিৰপেক্ষ বা সংযোজন অনুষ্ঠানৰ পথ বাছি লয়।

৩.০২ প্ৰজন্মৰ পৰিবৰ্তন আৰু পৰিবৰ্তিত মানসিকতাঃ

বিশ্বব্যাপী ধাৰা আৰু মতাদৰ্শনৰ দ্বাৰা প্ৰভাৱিত নৱ প্ৰজন্মই প্ৰায়ে সামূহিক পৰম্পৰাতকৈ ব্যক্তিবাদ আৰু ব্যক্তিগত পছন্দক অগ্ৰাধিকাৰ দিয়ে।

ফলত পৰম্পৰাগত অসমীয়া বিবাহ ৰীতি-নীতি ৰ সংৰক্ষণ আৰু পালনৰ ওপৰত গুৰুত্ব কমি আহিছে।

সামৰণিত কব পাৰি যে- বিশ্বায়নে বাহ্যিক প্ৰভাৱ, নগৰায়ন, অৰ্থনৈতিক কাৰক,

আন্তঃ জাতিগত বিবাহ পৰিবৰ্তিত মূল্যবোধ পছন্দৰ গঢ় দিয়াৰ বাবে পৰম্পৰাগত অসমীয়া বিবাহ ৰীতি-নীতিৰ ওপৰত ক্ৰমান্বয়ে অৱহেলা ঘটিছে। বিকশিত সমাজৰ প্ৰৱণতাৰ সন্মুখত অসমীয়া পৰম্পৰাৰ প্ৰামাণ্যতা আৰু সমৃদ্ধি বজাই ৰখাৰ বাবে বিশ্বজনীন প্ৰভাৱক আকোৱালী লৈ সাংস্কৃতিক ঐতিহ্য সংৰক্ষণৰ প্ৰচেষ্টা অতি গুৰুত্বপূৰ্ণ।

উপসংহাৰ ঃ

সময়ৰ কোবাল সোঁতত সংস্কৃতিৰ বাঁপ সলনি হয়। অসমীয়া বিবাহৰ লগত জড়িত ৰীতি-নীতি আজি স্থিৰৰ হৈ থকা নাই। বিবাহ হ'ল জীৱনৰ এটা অন্যতম অংগ। অসমীয়া বিবাহ পদ্ধতিৰ নীতি-নিয়ম সমূহ আধুনিকতাৰ ফলত হেৰুৱাবলৈ ধৰিছে।

বৰ্তমান সময়ত তোলনী বিয়াৰ বিৰোধিতা কৰা হয়। তথাপিও নীতি-নিয়মেৰে ভৰপুৰ তোলনী বিয়াৰ এটা স্বকীয়া আমেজ আছে।

বিয়া সমূহত নিয়ম নীতিৰ

সলনি ঢাক - ডগৰকাই বেছি ঠাই পাইছে। বিয়া নাম সমূহৰ ঠাই লৈছে ডি.জে. সংগীত সমূহে।

বিয়া নামবোৰ বৰ্তমান লুপ্ত হৈ আহিছে। কিন্তু আইতালোকে যিখিনি চলি আহিছে সেই বিলাক সংগ্ৰহ কৰি ৰাখিব পাৰিলে এই বিয়া নাম সমূহে অসমীয়া লোক সাহিত্যৰ এক মূল্যবান সম্পদ হৈ ৰ'ব।

## সহায়ক গ্ৰন্থপঞ্জী ঃ


(১) কায়স্থ, পুতুলী ঃ অসমৰ বিভিন্ন জনগোষ্ঠীৰ বিবাহ পদ্ধতি। প্ৰকাশক: ভৱানী অফছেট প্ৰাইভেট লিমিটেডৰ প্ৰকাশ গোট, গুৱাহাটী- ৭৮১০২৬, অসম, তৃতীয় সংস্কৰণ: ডিচেম্বৰ, ২০১৪

(২) গগৈ, লীলা, নেওগ, হৰিপ্ৰসাদ ঃ অসমীয়া সংস্কৃতি, প্ৰকাশক: শ্ৰী মাখন হাজৰিকা, বনলতা, ডিব্ৰুগড় - ১ চতুৰ্থ প্ৰকাশ: ২০০৩

(৩) দাস, ড° নাৰায়ণ ঃ অসমীয়া সংস্কৃতিৰ কণিকা। প্ৰকাশক ঃ শ্ৰী ৰাজেন্দ্ৰ মোহন শৰ্মা, চন্দ্ৰ কাশ, পানবজাৰ, গুৱাহাটী-১, দ্বিতীয় পুনৰ্মুদ্ৰণ আগষ্ট ১৯৯৮

## সংবাদ দাতা

| ক্রম | নাম | বয়স | বৃত্তি |
|---|---|---|---|
| (১) | [illegible] কলিতা | ৪৫ | গৃহিনী |
| (২) | [illegible] কলিতা | ৫০ | ব্যবসায় |
| (৩) | [illegible] রাজবংশী | ৩৫ | ব্যবসায় |
| (৪) | [illegible] কলিতা | ৪২ | শিল্পী |

আলোক চিত্ৰঃ



চিত্ৰ নং - ১

কইনাক জোৰোণ দিয়া দৃশ্যাংশ



চিত্ৰ নং - ২

কইনাক গা ধোৱাৰ দৃশ্যাংশ



চিত্ৰ নং – ৩

কইনাই দৰাক বৰমালা পিন্ধোৱাৰ দৃশ্যাংশ